# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 13-05-2026
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

ষোড়শ অসম বিধানসভাৰ প্ৰথম অধিৱেশন অহা ২১, ২২ আৰু ২৫, ২৬ মে'ত অনুষ্ঠিত হ'ব। এই অধিৱেশনতে নৱনিৰ্বাচিত বিধায়কসকলে শপতগ্ৰহণ কৰিব আৰু অধিৱেশনৰ পাছত মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ কৰা হ'ব। কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত আজি অনুষ্ঠিত ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ দ্বিতীয়টো কাৰ্যকালৰ প্ৰথমখন মন্ত্ৰীসভাৰ বৈঠকৰ পাছত এখন সংবাদমেলত মুখ্যমন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ লগতে এই অধিৱেশনত চন্দ্ৰমোহন পাটোৱাৰী অস্থায়ী অধ্যক্ষ হিচাপে থাকিব বুলি জানিবলৈ দিয়ে।

**বাইট (চি এম)**

ড° শৰ্মাই কয়, যে বিধানসভা অধিবেশনৰ অন্তিম দিনা অৰ্থাৎ ২৬ মে'ত উমৈহতীয়া দেৱানী বিধি উত্থাপন কৰা হ'ব। মন্ত্ৰীসভাই আজি উমৈহতীয়া দেৱানী বিধিৰ খচৰাত অনুমোদন জনায়। এই খচৰা অনুসৰি পাৰ্বত্য আৰু ভৈয়াম জনজাতিৰ লোকসকলক উমৈহতীয়া দেৱানী বিধিৰ আওঁতাৰ পৰা বাহিৰত ৰখা হ'ব বুলি তেওঁ প্ৰকাশ কৰে।

ড° শৰ্মাই কয়, যে বিজেপিৰ নিৰ্বাচনী ইস্তাহাৰখন এতিয়াৰে পৰা ৰাজ্য চৰকাৰৰ নীতি নিৰ্ধাৰণৰ আধাৰ হিচাপে গ্ৰহণ কৰাৰ বাবে মন্ত্ৰীসভাই আজি সিদ্ধান্ত লয়। তদুপৰি পৰৱৰ্তী ৫ বছৰত নতুনকৈ ২ লাখ চৰকাৰী চাকৰিৰ নিযুক্তি সন্দৰ্ভত সিদ্ধান্ত লোৱাৰ বাবে মুখ্য সচিবৰ নেতৃত্বত কাৰ্যবাহিনী গঠনৰ সিদ্ধান্ততো আজি মন্ত্ৰীসভাই অনুমোদন জনায়। এই কাৰ্যবাহিনীয়ে অহা তিনিমাহৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিব।

আজিৰ বৈঠকত ড০ ভূপেন হাজৰিকাৰ জয়ন্তী সমাৰোহৰ সামৰণি অনুষ্ঠান ৮ ছেপ্তেম্বৰত নতুন দিল্লীত আয়োজন কৰাৰো সিদ্ধান্ত লোৱা হয়। মন্ত্ৰীসভাই লগতে কলাক্ষেত্ৰত ৩২ কোটি টকা ব্যয় সাপেক্ষে ভূপেন হাজৰিকাৰ সংগ্ৰহালয়ৰ স্থাপনৰ সিদ্ধান্তত অনুমোদন জনায়।

০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত শ্যামকাণু মহন্তৰ জামিন আবেদন অহা ১৫ মে'ত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ বিচাৰপীঠত শুনানিৰ বাবে তালিকাভুক্ত কৰা হৈছে। ইয়াৰ পূৰ্বে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ পাৰ্থিৱজ্যোতি শইকীয়াৰ বিচাৰপীঠে আজি অভিযুক্ত শ্যামকানু মহন্তই জামিনৰ বাবে অনুৰোধ জনাই দাখিল কৰা আবেদনখন শুনানিৰ বাবে গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰে। বিচাৰপীঠখনে ইয়াৰ পৰিৱৰ্তে অভিযুক্তগৰাকীৰ জামিন আবেদন উচ্চ ন্যায়ালয়ৰ আন বিচাৰপীঠত তালিকাভুক্ত কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০

লখিমপুৰ জিলা আয়ুক্তৰ সভাপতিত্বত আজি জিলা আয়ুক্তৰ কাৰ্যালয় সভাকক্ষত কৃষি বিভাগ, ভাৰতীয় খাদ্য নিগম তথা খাদ্য অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা শাখাৰ বিষয়াসকলৰ এখন পৰ্যালোচনা সভা অনুষ্ঠিত হয়। সভাত জিলাখনত ধান ক্ৰয়ৰ বৰ্তমান অৱস্থাকে ধৰি সংশ্লিষ্ট বিষয়সমূহ পৰ্যালোচনা কৰা হয়। তদুপৰি খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ অধীনত চলি থকা বিভিন্ন আঁচনি বিশেষকৈ ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা  আইন ২০১৩ৰ ৰূপায়ণ আৰু অগ্ৰগতিৰ বিষয়ত আলোচনা কৰা হয়। সভাত জিলা আয়ুক্তই জনসাধাৰণৰ কল্যানমূলক আঁচনিসমূহ ফলপ্ৰসূভাৱে ৰূপায়ণ কৰাত গুৰুত্ব আৰোপ কৰিবলৈ সংশ্লিষ্ট বিভাগসমূহক আহ্বান জনায়। ০০০

০০০০

চিৰাং জিলাৰ সীমান্তৰ মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ সমীপৰ বিষ্ণুপুৰত হাতী-মানুহৰ সংঘাত দূৰ কৰাৰ লক্ষ্যৰে আজি মানাহ ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষ আৰু WILDLIFE TRUST OF INDIA চমুকৈ WTI ৰ যৌথ উদ্যোগত এখন সভা অনুষ্ঠিত হয়। সভাত বিশেষকৈ WTI ৰ উদ্যোগত স্থাপন কৰা প্ৰায় ২০ কিলোমিটাৰ দৈৰ্ঘ্যৰ সৌৰশক্তিচালিত ওলমা তাঁৰৰ বেৰ সুচাৰুৰূপে পৰিচালনা কৰি বনৰীয়া হাতীৰ উপদ্ৰৱ নিয়ন্ত্ৰণ কৰাৰ বিষয়ত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱা হয়। তদুপৰি বন বিভাগ আৰু WTI ৰ সহযোগত সৌৰশক্তিচালিত বেৰৰ দুয়োকাষে ১০ মিটাৰ বহলকৈ পৰিস্কাৰ কৰি ৰখাৰ ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰা হয়। সভাত কুকলুঙৰ বনাঞ্চলিক বিষয়া, পানবাৰীৰ বনাঞ্চলিক বিষয়া, WTI ৰ বিষয়াকে ধৰি স্থানীয় স্বেচ্ছাসেৱী অনুষ্ঠানে অংশ লয়। ০০০

০০০০

উচ্চতম ন্যায়ালয়ৰ অংশগ্ৰহণমূলক ন্যায়ৰ দৰ্শনৰ প্ৰসাৰ তথা বিচৰাধীন হৈ থকা গোচৰসমূহ পাৰস্পৰিক বুজাবুজি আৰু সন্মতিৰে নিস্পত্তি কৰাৰ লক্ষ্যৰে উচ্চতম ন্যায়ালয়ে অহা ২১ আগষ্টৰ পৰা ২৩ আগষ্টলৈ সমাধান সমাৰোহ শীৰ্ষক বিশেষ লোক আদালতৰ আয়োজন কৰিছে। সকলো অধিবক্তা, গোচৰীয়া পক্ষ, আৰু অন্যান্য সংশ্লিষ্ট পক্ষক এই অভিযানত অংশগ্ৰহণ কৰি গোচৰসমূহৰ ফলপ্ৰসু সমাধানৰ সহযোগ কৰিবলৈ আহ্বান জনোৱা হৈছে। গোচৰৰ পক্ষসমূহে আৰু তেওঁলোকৰ অধিবক্তাসকলে উচ্চতম ন্যায়ৰ দ্বাৰা সৃষ্ট সৰল  গুগল প্ৰপত্ৰ পুৰণ কৰি নিজৰ গোচৰটো সমাধান সমাৰোহ ২০২৬ত অন্তৰ্ভুক্ত কৰিব  পাৰিব। ফৰ্ম পুৰণৰ অন্তিম তাৰিখ ৩১ মে ২০২৬।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ৰায়পুৰত অনুষ্ঠিত এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছে - ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। বৰষুণৰ  বাবে পলমকৈ আৰম্ভ হোৱা খেলখনত বেংগালুৰুৱে টছত জিকি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়। আমালৈ বাতৰি অহাৰ পৰলৈ কোলকাতাই  ৮ অভাৰত ২ টা উইকেট হেৰুৱাই ৬৯ ৰান সংগ্ৰহ কৰিছে। ০০০০

০০০০

ঃঃ সমাপ্ত ঃঃ